BIKALI COLLEGE LIBRARY

*Total number of printed pages–3*

**14 (SEM–I) ASM 1016**

**2025**

**ASSAMESE**

Paper : ASM–1016

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। *যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১২×৫=৬০

(ক) ভাৰতৰ আঞ্চলিক ভাষাসমূহৰ উত্থানক কি কি কাৰকে কেনেকৈ প্ৰভাৱিত কৰিছিল বিশ্লেষণ কৰা।

(খ) চৰ্যাপদৰ ভাষিক বৈশিষ্ট্যৰ বিশ্লেষণে অসমীয়া ভাষাৰ বিকাশৰ বিষয়ে কি কি সম্ভেদ দিব পাৰে, ব্যাখ্যা কৰা।

(গ) সাহিত্যিক ভাষাৰূপে অসমীয়া ভাষাৰ বিকাশত ৰাজকীয় পৃষ্ঠপোষকতাই কেনে ভূমিকা লৈছিল আলোচনা কৰা।

BIKALI COLLEGE LIBRARY

(ঘ) মাধৱ কন্দলী ৰামায়ণত অসমীয়া ভাষা পূৰ্ণৰূপে বিকশিত হৈছে—কথাশাৰীৰ যথাৰ্থতা ৰামায়ণখনৰ আধাৰত বিচাৰ কৰা।

(ঙ) ব্ৰজাৱলী ভাষাৰ বিকাশত কেনেধৰণৰ ভাষিক আৰু সাংস্কৃতিক সংস্পৰ্শই ক্ৰিয়া কৰিছিল, আলোচনা কৰা।

(চ) বুৰঞ্জী আৰু চৰিত পুথিৰ ভাষাই ভাষিক সংযোগৰ স্বাক্ষৰ কেনেধৰণে বহন কৰিছে, উদাহৰণ সহ বিৱৰণ দিয়া।

(ছ) আধুনিক অসমীয়া ভাষাৰ নিৰ্মাণত অসমীয়া আলোচনীসমূহে লোৱা ভূমিকাৰ বিষয়ে বিশ্লেষণ কৰা।

(জ) মিছনেৰীৰ অসমীয়া ভাষা ব্যৱহাৰৰ বিষয়ে বহলাই লিখা।

২। চমুটোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) প্ৰাচীন অসমৰ অনুশাসনৰ ভাষা

(খ) প্ৰহ্লাদ চৰিতৰ ভাষা

(গ) কন্দলী ৰামায়ণৰ সামাজিক পটভূমি

BIKALI COLLEGE LIBRARY

(ঘ) হেমচন্দ্ৰ বৰুৱাৰ ভাষা

(ঙ) অসমীয়া ভাষাৰ প্ৰত্নৰূপৰ বৈশিষ্ট্য

(চ) সাংস্কৃতিক সংযোগ আৰু ভাষা